অধ্যায় ১৩ ঃ স্ত্রীপ্রত্যয়

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ প্রত্যয়ৰ শ্রেণীবিভাগ
১৩.৪ স্ত্রীপ্রত্যয়ৰ প্রয়োগ
১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৬ অধিক জানিবলৈ
১৩.৭ অগ্রগতিৰ খতিয়ান
১৩.৮ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- স্ত্রীপ্রত্যয় সম্বন্ধে সামান্য ধাৰণা লাভ কৰিব পাৰিব
- সংস্কৃতত প্রয়োগ হোৱা স্ত্রীপ্রত্যয়সমূহৰ বিষয়ে অবগত হ'ব পাৰিব
- স্ত্রীপ্রত্যয়ান্ত শব্দবোৰৰ আকৃতিগত পৰিবর্তনৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব।

১৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়সমূহত আপুনি ইতিমধ্যে প্রত্যয় সম্বন্ধে কিছু পৰিমাণে অৱগত হৈছে। পদসমূহ সাধাৰণতে ধাতু, প্রাতিপদিক, প্রত্যয়, বিভক্তি, উপসর্গ আদিৰ সংযোগ অথবা সংযোগত গঠিত হয়। সংস্কৃত ভাষাৰ ধাতু আৰু প্রতিপাদিকজনিত শব্দসমূহত সাধাৰণতে কিছুমান বর্ণ অথবা বর্ণ সমষ্টি যোগ হয়। ধাতুৰ পিছত যোগ হোৱা তি, তস্, অন্তি আদি, আৰু প্রাতিপাদিকৰ পিছত যোগ হোৱা সু, ঔ, জস্ আদি বিভক্তিসমূহৰ বিষয়ে আপুনি ইতিমধ্যে অবগত হৈ আহিছে।

ধাতু আৰু প্রাতিপদিকৰ পিছত বিভক্তিৰ চিনসমূহ যোগ হোৱাৰ নিচিনাকৈ, এইবোৰৰ পিছত আৰু কিছুমান চিন যোগ হয়, যাক প্রত্যয় বুলি কোৱা হয়। এই প্রত্যয়সমূহৰ যোগত একো একোটা নতুন শব্দ সাধিত হয়। এই প্রত্যয়সমূহ বিভিন্ন অর্থত ব্যৱহাৰ কৰা হয়।

ধাতু (Verbal Root)ৰ পিছত যোগ হোৱা প্রত্যয়সমূহক কৃৎ প্রত্যয় (Primary Suffixes) আৰু প্রাতিপদিক (Nominal Stem)ৰ পিছত যোগ হোৱা প্রত্যয়সমূহক তদ্ধিত প্রত্যয় (Secondary Suffixes) বোলে। আনহাতে স্ত্রীলিঙ্গ বুজাবলৈ যিবোৰ প্রত্যয় ব্যৱহাৰ কৰা হয়, সেইবোৰক স্ত্রীপ্রত্যয় (Feminine Affixes) বোলে। এই অধ্যায়টিত আপুনি স্ত্রীপ্রত্যয়ৰ বিষয়ে বিস্তৃতভাৱে জানিব পাৰিব। এতিয়া এই অধ্যায়ত আপুনি প্রত্যয়ৰ শ্রেণীবিভাগ, স্ত্রীপ্রত্যয়ৰ প্রয়োগ আদি বিষয়ে জানিব পাৰিব।



জানি থোৱা ভাল


ধাতু ঃ কোনো এটা শব্দৰ মূলটোক প্ৰকৃতি (Radical) বোলে। এই প্ৰকৃতি দুই প্ৰকাৰৰ— ধাতু আৰু প্ৰাতিপদিক। যি প্ৰকৃতিৰ দ্বাৰা ক্ৰিয়া বুজায়, তাকে ধাতু (Verbal Root) বোলে। ব্যাকৰণত 'ভূ'কে আদি কৰি ক্ৰিয়াবাচক শব্দবিলাকক ধাতু বোলা হৈছে। কেইটামান ধাতুৰ উদাহৰণ হ'ল— ভূ, গম্, খাদ্, দা আদি।

প্ৰাতিপদিক ঃ যিবোৰ শব্দ ধাতুও নহয়, প্ৰত্যয়ো নহয়, প্ৰত্যয়ান্ত শব্দও নহয়, অথচ কোনো বস্তুবাচক অথবা বস্তুৰ কিবা বিশেষণবাচক, সেইবোৰক প্ৰাতিপদিক বা নাম (Nominal Stem) বোলে। যেনে— বস্তুবাচক ঃ নৰ, ফল, চন্দ্ৰ আদি, বিশেষণ বাচক— দৃঢ়, সুন্দৰ, নূতন ইত্যাদি।

উপসৰ্গ ঃ যদি ক্ৰিয়াৰ সৈতে যোগ হয়, তেনেহ'লে প্ৰ, পৰা, অপ, সম্, অনু, অব্, নিৰ্, দুৰ্, অভি, বি, অধি, সু, উদ্, অতি, নি, প্ৰতি, পৰি, অপি, উপ, আ— এই বিশটা অব্যয়ক উপসৰ্গ (Prefixes) বোলে।

১৩.৩ প্ৰত্যয়ৰ শ্ৰেণীবিভাগ

এতিয়া আপুনি প্ৰত্যয়ৰ বিভিন্ন ভাগসমূহৰ বিষয়ে জানিব পাৰিব। প্ৰত্যয়ৰ ভাগসমূহ হ'ল—



ধাতু অথবা প্ৰাতিপদিকৰ পিছত যিবোৰ যুক্ত হয়, সেইবোৰেই প্ৰত্যয় (প্ৰত্যয়ঃ, পৰশ্চ)। প্ৰত্যয় পাঁচ প্ৰকাৰৰ। সেইকেইটা হৈছে— বিভক্তি প্ৰত্যয়, কৃৎ প্ৰত্যয়, তদ্ধিত প্ৰত্যয়, স্ত্ৰীপ্ৰত্যয় আৰু ধাত্ববয়ৱ।

ক) **বিভক্তি প্ৰত্যয় ঃ** ধাতুৰ পিছত তি, তস্ (ঃ), অন্তি আদি প্ৰত্যয় তথা প্ৰাতিপদিকৰ পিছত সু (ঃ), ঔ, জস্ (অঃ) আদি যিবোৰ প্ৰত্যয় যোগ হয়, সেইবোৰক বিভক্তি অথবা বিভক্তি প্ৰত্যয় (Inflections) বোলে। যেনে— √ভূ + তি, ভৱতি, নৰ + সু (ঃ) = নৰঃ।

খ) **কৃৎ প্ৰত্যয় ঃ** ধাতুৰ পিছত তব্য, ক্ত্বাচ, ল্যপ্ ইত্যাদি যিবোৰ প্ৰত্যয় যোগ কৰা হয়, তাকে কৃৎ প্ৰত্যয় বোলে। যেনে— √কৃ + তব্য = কৰ্তব্যম্।

গ) **তদ্ধিত প্ৰত্যয় ঃ** প্ৰাতিপদিকৰ পিছত যিবোৰ প্ৰত্যয় যোগ কৰা হয়, তাকে তদ্ধিত প্ৰত্যয় বোলে। যেনে— বুদ্ধি + মতুপ্ = বুদ্ধিমৎ (বুদ্ধিমান), মেধা + ৱিনি = মেধাৱিন্ (মেধাৱী)।

ঘ) **স্ত্রী প্রত্যয় ঃ** স্ত্রীলিংগ বুজাবলৈ টাপ্ (আ), ঙীপ্ (ঈ) আদি যিবোৰ প্রত্যয়ৰ যোগ হয়, তাকেই স্ত্রী প্রত্যয় বোলে। যেনে— অজ + টাপ্ (আ) = অজা, দেৱ + ঙীপ্ (ঈ) = দেৱী।

ঙ) **ধাত্বৱয়ব ঃ** ধাতুৰ পিছত ই (নিচ্), স (সন্) আদি, আৰু প্রাতিপদিকৰ পিছত য, কাম্য আদি যিবোৰ প্রত্যয় যোগ হয়, তাকেই ধাত্বৱয়ব (Parts of Root) বোলে। যেনে— √শ্রু + ণিচ (ই) = শ্রাৱি, পুত্র + কাম্য + তি = পুত্রকাম্যতি।

১৩.৪ স্ত্রী প্রত্যয়ৰ প্রয়োগ

তলত এতিয়া স্ত্রী প্রত্যয়ৰ নিয়ম আৰু উদাহৰণসমূহ দিয়া হ'ল—

টাপ্/আপ্ (আ) প্রত্যয়

১) অ-কাৰান্ত প্রাতিপদিকৰ পিছত স্ত্রীলিংগত আপ্ + (আ) প্রত্যয় হয়। যেনে—

কৃশ — কৃশা	দীন — দীনা	মলিন — মলিনা
কৃপণ — কৃপণা	ক্রূৰ — ক্রূৰা	সৰল — সৰলা
অজ — অজা	কোকিল — কোকিলা	অশ্ব — অশ্বা
ৱাল — ৱালা	প্রথম — প্রথমা	তৃতীয় — তৃতীয়া

২) যিবোৰ শব্দ প্রত্যয় যুক্ত হোৱাৰ বাবে ক-কাৰান্ত (যেনে— গ্রহ্ + ন্বুল (অক্) = গ্রাহকঃ) হয়, সেইবিলাক শব্দতো স্ত্রীলিঙ্গত আপ্ প্রত্যয় হয়। কিন্তু ক-কাৰৰ পূর্ববর্ত্তী অ-কাৰৰ ঠাইত ই-কাৰ হয়। যেনে—

নায়ক — নায়িকা	পাচক — পাচিকা	নাটক — নাটিকা
পালক — পালিকা	সাধক — সাধিকা	বালক — বালিকা

৩) অষ্টক প্রভৃতি কেইটামান শব্দৰ পূর্ববর্তী অ-কাৰৰ ঠাইত ই-কাৰ নহয়। যেনে— অষ্টকা, ইষ্টকা, সেৱকা, কন্যকা, কৰকা, ক্ষিপকা, চটকা, তাৰকা, উপত্যকা।

ঈপ্/ঙীপ্/ঙীষ্ (ঈ) প্রত্যয়

১) গৌৰ প্রভৃতি অ-কাৰান্ত প্রাতিপদিকৰ পিছত স্ত্রীলিংগত ঈপ্ হয়। ঈপ্ ৰ প্ কাৰটোৰ লোপ হয়, কেবল ঈ থাকে। ঈপ্ প্রত্যয় যুক্ত হ'লে প্রাতিপদিকৰ শেষত থকা অ-বর্ণৰ লোপ হয়। যেনে—

গৌৰ — গৌৰী	কুমাৰ — কুমাৰী	কিশোৰ — কিশোৰী
সুন্দৰ — সুন্দৰী	তৰুণ — তৰুণী	পিতামহ — পিতামহী
নট — নটী	নাগ — নাগী	দ্রোণ — দ্রোণী

২) জাতি বুজালে, জাতিবাচক অ-কাৰান্ত প্রাতিপদিকৰ পিছত ঈপ্ হয়। যেনে—

সিংহ — সিংহী	ব্যাঘ্র — ব্যাঘ্রী	মৃগ — মৃগী
হৰিণ — হৰিণী	মানুষ — মানুষী	পিশাচ — পিশাচী
ব্রাহ্মণ — ব্রাহ্মণী	গোপ — গোপী	মহিষ — মহিষী

ক) জাতিবাচক হ'লেও অজ আদি শব্দৰ পিছত ঈপ্ নহয়। যেনে—

অজ — অজা কোকিল — কোকিলা অশ্ব — অশ্বা

পুত্রক — পুত্রিকা/পুত্রকা জ্যেষ্ঠ — জ্যেষ্ঠা কনিষ্ঠ — কনিষ্ঠা

শূদ্র — শূদ্রা

ব্যতিক্রম— মহৎ শব্দ আগত থাকিলে শূদ্র শব্দৰ পিছত ঈপ্ হয়। যেনে— মহাশূদ্রী।

খ) যিবিলাক জাতিবাচক প্রাতিপদিকৰ উপধা স্থলত য় থাকে, সেইবোৰৰ পিছত ঈপ্ নহয়। যেনে— বৈশ্য— বৈশ্যা

ব্যতিক্রম — কিন্তু গবয় আদি কেইটামান শব্দত ঈপ্ হয়। যেনে—

গবয় — গবয়ী হয় — হয়ী মুকয় — মুকয়ী

মৎস্য আৰু মনুষ্য শব্দত ঈপ্ হোৱাৰ লগতে য় কাৰৰ লোপ হয়। যেনে—

মৎস্য — মৎসী মুনুষ্য — মনুষী



জানি থোৱা ভাল

উপধা ঃ শব্দ এটাৰ শেষৰ বর্ণৰ আগৰ বর্ণটোক উপধা (Penultimate) বোলে। যেনে— 'ৰাম' শব্দটোৰ অন্ত্যবর্ণটো 'অ' তথা তাৰ আগৰ বর্ণটো 'ম্'। এই 'ম্'টো হৈছে উপধা।

ৰাম — ৰ্ + আ + ম্ + অ

↓

উপধা বর্ণ

৩) ঋকাৰান্ত প্রাতিপদিকৰ পিছত ঈপ্ (ঙীপ্) হয়। যেনে—

দাতৃ — দাত্রী ধাতৃ — ধাত্রী কর্তৃ — কর্ত্রী

জনয়িতৃ — জনয়িত্রী হন্তৃ — হন্ত্রী প্রসবিতৃ — প্রসবিত্রী

ক) ঋ-কাৰান্ত হ'লেও স্বসৃ প্রভৃতি কেইটামান শব্দৰ পিছত ঈপ্ নহয়। যেনে—

স্বসৃ — স্বসা মাতৃ — মাতা দুহিতৃ — দুহিতা

যাতৃ — যাতা ননান্দৃ — ননান্দা ত্রি(ত্রয়) তিস্রঃ

চতুৰ্ (চত্বাৰঃ) — চতস্রঃ

৪) ন-কাৰান্ত প্রাতিপদিকৰ পিছত ঈপ্ হয়। যেনে—

কামিন্ — কামিনী দণ্ডিন্ — দণ্ডিনী গুণিন্ — গুণিনী

মানিন্ — মানিনী মেধাবিন্ — মেধাবিনী তপস্বিন্ — তপস্বিনী

ক) ঈপ্ হ'লে অন্ভাগান্ত প্রাতিপদিকৰ উপধাৰ লোপ হয়। যেনে—

ৰাজন্ — ৰাজ্ঞী যুৱন্ — যুনী (যুৱতী) মঘৱন্ — মঘোনী

শ্বন্ — শুনী

খ) সংখ্যাবাচক ন-কাৰান্ত শব্দৰ পিছত ঈপ্ নহয়। যেনে—

(পঞ্চন্) — পঞ্চ (সপ্তন্) — সপ্ত (অষ্টন্) — অষ্ট

(নৱন্) — নৱ

গ) ন্-কাৰান্তৰ মাজত মন্ ভাগান্ত প্রাতিপদিকৰ পিছত ঈপ্ নহয়। যেনে—

(সীমন্) — সীমা পামা, সুদামা, অতিমহিমা

ঘ) যুৱতী প্রভৃতি শব্দ নিপাতনে সিদ্ধ হয়। যেনে— যুৱন — যুৱতীঃ।

৫) উ-বর্ণ আৰু ঋ-বর্ণ লুপ্ত হোৱা প্রত্যয়যুক্ত শব্দৰ শেষত স্ত্রীলিংগত ঙীপ্ প্রত্যয় হয়। যেনে—

উ-বর্ণ লুপ্ত হোৱা—

ভৱৎ (ভা + ভবতু) — ভৱতী, ইয়ৎ — ইয়তী শ্রীমৎ — শ্রীমতী

বুদ্ধিমৎ — বুদ্ধিমতী পুত্রৱৎ — পুত্রৱতী বলবৎ — বলৱতী

প্রেয়স্ — প্রেয়সী শ্রেয়স্ — শ্রেয়সী লঘীয়স্ — লঘীয়সী

'ঋ - বর্ণ লুপ্ত হোৱা—

সৎ — সতী ৰুদৎ — ৰুদতী শৃন্বৎ — শৃন্বতী

কুর্বৎ — কুর্বতী জানৎ — জানতী দ্বিষৎ — দ্বিষতী

৬) ঈপ্ প্রত্যয় হ'লে ভ্বাদি আৰু দিবাদি গণীয় ধাতুৰ পিছত প্রয়োগ হোৱা শতৃ প্রত্যয়ৰ ঠাইত ন্ হয় আৰু এই ন্ পূর্বৱতী ত-কাৰৰ সৈতে মিলিত হয়। যেনে—

ভ্বাদিগণীয়—

ধাৱৎ — ধাৱন্তী ভৱৎ — ভৱন্তী গচ্ছৎ — গচ্ছন্তী

পতৎ — পতন্তী চলৎ — চলন্তী পালয়ৎ — পালয়ন্তী

দিবাদিগণীয়—

দীব্যৎ — দীব্যন্তী নশ্যৎ — নশ্যন্তী নৃত্যৎ — নৃত্যন্তী

ক) ঈপ্ প্রত্যয় হ'লে তুদাদি - গণীয় ধাতুৰ পিছত শতৃ প্রত্যয়ৰ স্থানত ন-কাৰ আহিবও পাৰে নাহিবও পাৰে (বিকল্প)। যেনে—

তুদৎ — তুদন্তী/তুদতী ইচ্ছৎ — ইচ্ছন্তী/ইচ্ছতী

খ) ঈপ্ প্রত্যয় হ'লে অদাদি-গণীয় আ-কাৰান্ত ধাতুৰ পিছত বিহিত শতৃ প্রত্যয়ৰ ঠাইত বিকল্পে ন্-ৰ আগম হয়। যেনে—

যাৎ — যান্তী/যাতী মাৎ — মান্তী/মাতী স্নাৎ — স্নান্তী/স্নাতী



জানি থোৱা ভাল

ধাতু বিভাগ ঃ সংস্কৃত ধাতুবোৰৰ ৰূপৰ বৈশিষ্ট্য অনুসৰি দহটা শ্রেণীত ভাগ কৰা হৈছে। সেই এটা এটা শ্রেণীৰ নাম 'গণ'। সেই দহটা গণ

হৈছে— ভ্বাদি (ভূ আদি), তুদাদি (তুদ্ ধাতুকে আদি কৰি), দিবাদি (দিব্ ধাতুকে আদি কৰি), স্বাদি, ক্র্যাদি, তনাদি, ৰুধাদি, অদাদি, হবাদি আৰু চুৰাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলত দিয়া শব্দবোৰৰ প্রত্যয়বোৰ ভাঙি দেখুৱাওক ঃ

ক) গৌৰী, খ) অজা গ) পাচিকা

ঙ) ধাত্রী চ) ভৱন্তী

.....

.....

গ) ঈপ্ প্রত্যয় হ'লে, স্যতৃ- প্রত্যয়ৰ স্থানত বিকল্পে ন্-কাৰৰ প্রয়োগ হয়। যেনে—

ভৰিষ্যৎ — ভৰিষ্যন্তী/ভৰিষ্যতী কৰিষ্যৎ — কৰিষ্যন্তী/কৰিষ্যতী

৭) ট-কাৰ আৰু ষ-কাৰ লোপ হোৱা প্রত্যয়ৰ যোগত নিষ্পন্ন হোৱা প্রাতিপদিকৰ পিছত ঈপ্ প্রত্যয় হয়। যেনে—

ট-কাৰ লোপ হোৱা প্রত্যয় নিষ্পন্ন ঃ

গায়ন — গায়নী	অর্থকৰ — অর্থকৰী	নিশাচৰ — নিশাচৰী
কিঙ্কৰ — কিঙ্কৰী	চতুর্থ — চতুর্থী	পঞ্চম — পঞ্চমী
সপ্তম — সপ্তমী	দ্বাদশ — দ্বাদশী	ত্রয়োদশ — ত্রয়োদশী
দ্বয় — দ্বয়ী	দয়াময় — দয়াময়ী	হিৰন্ময় — হিৰন্ময়ী

ষ-কাৰ লোপ হোৱা প্রত্যয় নিষ্পন্ন ঃ

নর্ত্তক — নর্ত্তকী	ৰজক — ৰজকী	মানৰ — মানৰী
বৈষ্ণৱ — বৈষ্ণৱী	দ্রৌপদ — দ্রৌপদী	মাগধ — মাগধী
ভাগিনেয় — ভাগিনেয়ী	পৌত্র — পৌত্রী	দৌহিত্র — দৌহিত্রী

৮) ঈপ্ প্রত্যয় প্রয়োগ হ'লে, ব্যঞ্জন বর্ণৰ পৰৱর্তী য্যণ্ [ষঞ্ (য়)] প্রত্যয়ৰ লোপ হয়। যেনে—

গার্গ্য — গার্গী	বাৎস্য — বাৎসী	আগস্ত্য — আগস্তী
বাভ্রব্য — বাভ্রৱী	মাণ্ডব্য — মাণ্ডৱী	মৈত্র্য — মৈত্রী

৯) প্রাচ্ আদি প্রাতিপদিকৰ পিছত ঈপ্ হয়। যেনে—

প্রাচ্ — প্রাচী অবাচ্ — অবাচী

ক) প্রতীচী আদি শব্দ নিপাতনে সিদ্ধ হয়। যেনে—

প্রত্যচ্ — প্রতীচী, প্রত্যঞ্চী উদচ্ — উদীচী, উদঞ্চী



জানি থোৱা ভাল

নিপাতনে সিদ্ধ ঃ ব্যাকৰণৰ সাধাৰণ বিধি-বিধানবোৰ নমনাকৈ ঠাই বিশেষে দুই চাৰিটা পদ সিদ্ধ হয়, এনে পদকে নিপাতনে সিদ্ধ (Grammatical Irregularity) বুলি কোৱা হয়।

১০) ভার্য্যা (Wife) অর্থ বুজাবলৈ জাতিবাচক পুংলিঙ্গ শব্দৰ পিছত ঈপ্ হয়। যেনে—

ব্রাহ্মণস্য জায়া— ব্রাহ্মণী শূদ্রস্য জায়া — শূদ্রী গোপ — গোপী

গণক — গণকী নাপিত— নাপিতী নিষাদ — নিষাদী

ক) 'পালক' শব্দ পিছত থাকিলে এনেকুৱা জাতিবাচক অ-কাৰান্ত প্রাতিপদিকৰ পিছত ঈপ্ নহয়। যেনে—

গোপালকস্য জায়া — গোপালিকা পশুপালকস্য পত্নী — পশুপালিকা

খ) পত্নী অর্থত, ভৱ আদি কেইটামান প্রাতিপাদিকৰ পিছত ঈপ্ হয়। ঈপ্ হোৱাৰ আগতে 'আন্' আগম হয়। যেনে— ভবস্য জায়া-ভৱানী, ৰুদ্রস্য জায়া-ৰুদ্রাণী।

সেইদৰে— শর্ব — শর্বাণী, ইন্দ্র — ইন্দ্রাণী, বৰুণ — বৰুণানী

গ) 'আন্' আগম হ'লে ব্রহ্মণ্ শব্দৰ ন্-কাৰৰ লোপ হয়। যেনে— ব্রহ্মণো জায়া— ব্রহ্মাণী।

আনহাতে, মাতুল শব্দৰ পিছত বিকল্পে আন্ হয়। যেনে—

মাতুলস্য জায়া — মাতুলানী /মাতুলী

১১) ক্ষত্রিয় ইত্যাদি কেইটামান প্রাতিপদিকৰ পিছত বিকল্পে আন্ আগম হয় আৰু ঈপ্ অথবা আপ্ প্রত্যয় হয়। ঈপ্ আৰু আপ্ প্রত্যয় ভেদে শব্দসমূহৰ অর্থও বেলেগ বেলেগ হয়। যেনে—

পুংলিঙ্গ	**স্ত্রীলিঙ্গ**	**প্রত্যয়**	**অর্থ**
ক্ষত্রিয়	ক্ষত্রিয়ানী	(আন্+ঈপ্)	ক্ষত্রিয় জাতিৰ স্ত্রী
	ক্ষত্রিয়া	(আপ্)	
	ক্ষত্রিয়ী	(ঈপ্)	ক্ষত্রিয় পত্নী
অর্য্য	অর্য্যাণী		বৈশ্যজাতিৰ মহিলা
	অর্য্যা		
	অর্য্যী		বৈশ্যৰ পত্নী
আচার্য্য	আচার্য্যানী		আচার্য্যৰ পত্নী
	আচার্য্যা		স্বয়ং অধ্যাপিকা
উপাধ্যায়	উপাধ্যায়ানী উপাধ্যায়ী		উপাধ্যায়ৰ পত্নী

	উপাধ্যায়ী উপাধ্যায়া		স্বয়ং অধ্যাপিকা
ৱৈশ্য	ৱৈশ্যা		ৱৈশ্যৰ পত্নী
	ৱৈশ্যা		ৱৈশ্য জাতিৰ মহিলা
ৱৈদ্য	ৱৈদ্যা		ডাক্তৰৰ পত্নী
	ৱৈদ্যা		এবিধ ঔষধৰ প্ৰকাৰ
স্থল	স্থলী		সাধাৰণ ভূমি
	স্থলা		কৃত্ৰিম ভূমি
সূর্য্য	সূর্য্যা		সূর্য্যৰ দেৱী পত্নী
	সূৰী		কুন্তী, সূর্য্যৰ মানৱী পত্নী
শূদ্র	শূদ্রী, শূদ্রাণী		শূদ্রৰ ঘৈনীয়েক
	শূদ্রা		শূদ্র জাতিৰ মহিলা
কিংকৰ	কিংকৰা		মহিলা সেৱিকা
	কিংকৰী		সেৱকৰ ঘৈনীয়েক
সুন্দৰ	সুন্দৰা		অনুভূতিহীন বস্তুৰ ক্ষেত্ৰত প্ৰযোজ্য, যেনে—সুন্দৰা ল'ৰা।
	সুন্দৰী		অনুভূতি থকা বস্তুৰ ক্ষেত্ৰত প্ৰযোজ্য যেনে— সুন্দৰী নাৰী
পাণি গৃহীত	পাণি-গৃহীতা		হাতেৰে ধৰি ৰখা
	পাণি - গৃহীতী		বিবাহিতা মহিলা

১২) বিশেষ অর্থত হিম, অৰণ্য, যৱ আৰু যৱন— এই চাৰিটা প্ৰাতিপদিকৰ পিছত ঈপ্ প্ৰত্যয় হয়, লগতে 'আন্' আগম হয়। যেনে—

হিম — হিমানী (মহৎ হিমম্, বৰফৰ দ'ম)

অৰণ্য — অৰণ্যানী (মহৎ অৰণ্যম্, বিশাল অৰণ্য)

যৱ — যৱানী (দুষ্টো যৱঃ), এক প্ৰকাৰৰ মাকৈ (Barley)

যৱন — যৱনানী (যৱনানাং লিপিঃ, যৱনসকলৰ লিপি
যৱনী (যৱন-জাতীয় স্ত্রী)

১৩) শোণ প্রভৃতি প্রাতিপদিকৰ পিছত বিকল্পে ঈপ্ হয়। যেনে—
শোণী/শোণা, চণ্ডী/চণ্ডা, অৰালী/অৰালা, কৃপণী/কৃপণা,
কল্যাণী/কল্যাণা, পুৰাণী/পুৰাণা

১৪) বহুব্রীহি সমাস হ'লে, অৱয়ব - বাচক প্রাতিপদিকৰ পিছত বিকল্পে ঈপ্ হয়। যেনে—
চন্দ্রমুখী/চন্দ্রমুখা, সুকেশী/সুকেশা, তাম্রনখী/তাম্রনখা

ক) সংজ্ঞা (নাম) বুজালে নখ, মুখ — এই দুটা আৱয়ব বাচক শব্দৰ পিছত ঈপ্ নহয়। কিন্তু অন্য অর্থ বুজালে ঈপ্ হয়। যেনে—

শূর্পনখ — শূর্পণখা (ৰাৱণৰ ভনী)

শূর্পণখী (কুলাৰ দৰে নখ থকা মহিলা)

তাম্রমুখ — তাম্রমুখী (তামবৰণীয়া মুখৰ তিৰোতা)

খ) ক্রোড় প্রভৃতি অৱয়ব - বাচক প্রাতিপদিকৰ পিছত ঈপ্ নহয়। যেনে—

সুক্রোড়া, তীক্ষ্ণখুৰা, চাৰুশিখা, দীর্ঘশফা

গ) যিবিলাক অৱয়ব বাচক প্রাতিপদিকৰ উপধা স্থানত সংযুক্ত বর্ণ থাকে, সিহঁতৰ পিছত ঈপ্ নহয়। যেনে— মৃগনেত্রা, লোলজিহবা।

ব্যতিক্রম — কিন্তু অঙ্গ প্রভৃতিব পিছত বিকল্পে হয়। যেনে—

কৃশাঙ্গ — কৃশাঙ্গী, কৃশাঙ্গা, মৃদুগাত্র — মৃদুগাত্রী, মৃদুগাত্রা

বিম্বোষ্ঠ — বিম্বোষ্ঠী, বিম্বোষ্ঠা কোকিলকণ্ঠ — কোকিলকণ্ঠী, কোকিলকণ্ঠা

কুন্দদন্ত — কুন্দদন্তী, কুন্দদন্তা চাৰুকর্ণ — চাৰুকর্ণী, চাৰুকর্ণা



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলত দিয়া শব্দবোৰৰ স্ত্রীলিঙ্গৰ ৰূপ লিখক—

ক) হিম খ) ক্ষত্রিয় গ) মাতুল

ঙ) ৰুদ্র চ) গার্গ্য

.....

.....

ঘ) যিবিলাক অৱয়ব-বাচক প্রাতিপদিকৰ দুটাতকৈ অধিক স্বৰবর্ণ, তেওঁলোকৰ পিছত ঈপ্ নহয়। যেনে—

মৃগনয়ন — মৃগনয়না, চন্দ্রবদন — চন্দ্রবদনা, চাৰুদর্শন — চাৰুদর্শনা

ব্যতিক্রম— কিন্তু নাসিকা আৰু উদৰ শব্দৰ পিছত বিকল্পে ঈপ্ হয়।

তুঙ্গনাসিক — তুঙ্গনাসিকী, তুঙ্গনাসিকা কৃশোদৰ — কৃশোদৰী, কৃশোদৰা

ঙ) সহ, নঞ তথা বিদ্যমান শব্দ পূর্বত থাকিলে, অৱয়ববাচক প্রাতিপদিকৰ পিছত ঈপ্ নহয়। যেনে—

সকেশ — সকেশা, অকেশ — অকেশা, বিদ্যমানকেশ — বিদ্যমানকেশা

চ) বহুব্রীহি সমাস হ'লে ঊধস্ শব্দৰ পিছত সদায়ে ঈপ্ প্রত্যয় হয় তথা **টি-স্থানত** ন (অনঙ্) প্রত্যয়ৰ আগম হয়। যেনে—

পীনমস্যা ঊধঃ = পীনোধ্নী ঘটবদস্যা ঊধঃ = ঘটোধ্নী



জানি থোৱা ভাল

টি ঃ শব্দ এটাৰ অন্ত্য স্বৰবর্ণকে আদি কৰি যিবোৰ বর্ণ থাকে, সেই আটাইবোৰকে 'টি' বোলে। যেনে— 'ৰাজন্' শব্দটোৰ অন্ত্য স্বৰবর্ণ 'অ', তথা তাৰ পিছত 'ন্' আছে, সেয়েহে 'অন্' এই অংশটো 'টি'।

ৰাজন্ = ৰ্ + আ + জ্ + [অ + ন্]
↓
টি

১৫) বহুব্রীহি সমাস হ'লে আৰু সংখ্যা-বাচক শব্দৰ পিছত দামন্, হায়ন্ এই দুই প্রাতিপদিক থাকিলে, ইয়াৰ পিছত ঈপ্ হয়। যেনে—

দ্বে অস্যা দাম্নী — দ্বদাম্নী (দুই দাল ৰছীৰে বন্ধা)
ত্রীণ্যস্যা দামানি — ত্রিদাম্নী
দ্বাৰস্যা হায়নৌ — দ্বিহায়নী (দুই বছৰীয়া)
— ত্রিহায়নী (তিনি বছৰীয়া)
— চতুর্হায়নী (চাৰি বছৰীয়া)

ব্যতিক্রম— 'হায়ন্' শব্দ বয়স বাচক নহ'লে ঈপ্ আৰু ণত্ব নহয়। যেনে— দ্বিহায়না (দুবছৰলৈ অপেক্ষা কৰা), ত্রিহায়না (তিনি বছৰলৈ অপেক্ষা কৰা), চতুর্হায়না (চাৰিবছৰলৈ)

১৬) ই-কাৰান্ত প্রাতিপদিকৰ পিছত বিকল্পে ঈপ্ হয়। যথা—

শ্রেণী/শ্রেণিঃ, ৰাজী/ৰাজিঃ, আলী/আলিঃ, অহী/অহিঃ,
কপী/কপিঃ, মুনী/মুনিঃ, শকটী/শকটিঃ, ৰাত্রী/ৰাত্রিঃ,
ৰজনী/ৰজনিঃ

ক) সখি শব্দৰ পিছত সদায়ে ঈপ্ হয়। যেনে— সখী (মহিলা বন্ধু)

খ) ক্তিন্ প্রত্যয়ান্ত ই-কাৰান্ত প্রাতিপদিকৰ পিছত ঈপ্ নহয়। যেনে—
গতিঃ, স্থিতিঃ, কৃতিঃ, মতিঃ, ভক্তিঃ, মুক্তিঃ, যুক্তিঃ, বুদ্ধিঃ।

ব্যতিক্রম— শক্তি আৰু পদ্ধতি এই দুটা শব্দৰ পিছত বিকল্পে ঈপ্ হয়। যেনে—
শক্তিঃ/শক্তীঃ, পদ্ধতিঃ /পদ্ধতীঃ

১৭) ধর্মপত্নী (অর্থাৎ যজ্ঞ সংযোগ অর্থাৎ যজ্ঞফলভাগী নিয়ম মতে বিবাহ কৰোৱা পত্নী) বুজাবলৈ পতি শব্দৰ পিছত ঈপ্ হয় আৰু ত-কাৰৰ পিছত ন-কাৰ যোগ হয়। যেনে— পতি — পত্নী (বশিষ্ঠস্য পত্নী — অর্থাৎ বশিষ্ঠৰ দ্বাৰা সম্পন্ন যজ্ঞৰ ফলৰ অধিকাৰিনী)

ব্যতিক্রম— কিন্তু গ্রামপতি, ৰাষ্ট্রপতি আদি মহিলা হ'লেও ইয়াত ঈপ্ তথা ন-কাৰৰ আগম নহয়। কাৰণ ইয়াত পতি শব্দটো অধিকাৰিনী অর্থত ব্যৱহাৰ কৰা হৈছে, যজ্ঞফলৰ ভোক্তা হিচাপে নহয়।

ক) সপত্নী প্রভৃতি শব্দ নিপতনে সিদ্ধ হয়। যেনে—

সমানঃ পতিৰস্যাঃ = সপত্নী

একঃ পতিৰস্যাঃ = একপত্নী

বীৰঃ পতিৰস্যাঃ = বীৰপত্নী

বৃদ্ধঃ পতিৰস্যাঃ = বৃদ্ধপত্নী

পঞ্চ পতয়ো২স্যাঃ = পঞ্চপত্নী (দ্রৌপদী)

১৮) বহুব্রীহি সমাস হ'লে, পদ্ (ভৰি) এই প্রাতিপদিকৰ পিছত ঈপ্ হয়। যেনে—

দ্বাৰস্যাঃ পাদৌ = দ্বিপদী (পুং - দ্বিপাদ্)

ত্রয়ো২স্যাঃ পাদাঃ = ত্রিপদী

এনেদৰে, চতুষ্পদী, বহুপদী, শতপদী

ক) বহুব্রীহি সমাস হ'লে, দৎ এই প্রাতিপদিকৰ পিছত ঈপ্ হয়। যেনে—

সুদতী, চাৰুদতী, শুভ্রদতী, কুন্দদতী

১৯) গুণ-বাচক উ-কাৰান্ত প্রাতিপদিকৰ পিছত বিকল্পে ঈপ্ হয়। যেনে—

গুৰু — গুৰুঃ, গুর্বী, মৃদু — মৃদুঃ, মৃদ্বী, সাধু — সাধুঃ, সাধ্বী

পটু — পটুঃ, পট্বী, লঘু — লঘুঃ, লঘ্বী, অণু — অণুঃ, অণ্বী

ক) যিসকল গুণ-বাচক উ-কাৰান্ত প্রাতিপদিকৰ উপধাস্থানত সংযুক্ত বর্ণ থাকে, সেইবোৰৰ পিছত ঈপ্ নহয়। যেনে— পাণ্ডু — পাণ্ডুঃ

খ) অশিশু আৰু অনড়ুহ্ শব্দৰ পিছত সদায়ে ঈপ্ হয়। যেনে—

অশিশ্বী (নাস্ত্যস্যাঃ শিশুৰিত্যর্থঃ) অনড়ুহী

২০) মানৰ জাতিবাচক হ্রস্ব উকাৰান্ত শব্দ স্ত্রীলিঙ্গত দীর্ঘ ঊ-কাৰান্ত [ঊপ্ (ঊঙ্)] প্রত্যয়) হয়। যেনে—

কুৰু — কুৰ্বী, কদ্রু — কদ্রূ, ভীৰু — ভীৰ্বী

ক) ৰজ্জু আদি উ-কাৰান্ত প্রাতিপদিকৰ পিছত ঊপ্ (ঊঙ্) প্রত্যয় নহয়। যেনে—

ৰজ্জু — ৰজ্জুঃ, ধেনু — ধেনুঃ, হনু — হনুঃ, বৃত্তবাহু — বৃত্তবাহুঃ

খ) তনু ইত্যাদি উ-কাৰান্ত প্রাতিপদিকৰ পিছত বিকল্পে দীর্ঘ ঊ (ঊপ্) হয়। যেনে—

তনু — তনুঃ/তনূঃ, চঞ্চু — চঞ্চুঃ/চঞ্চূঃ

গ) শ্বশুৰ শব্দৰ ঠাইত নিপাতনে শ্বশ্রূ হয়। যেনে— শ্বশুৰস্য জায়া — শ্বশ্রূঃ

ঘ) উপমা বুজালে ঊৰু এই প্রাতিপদিকৰ পিছত ঊপ্ হয়। যেনে—

ৰম্ভে ইবাস্যা ঊৰূ — ৰম্ভোৰূঃ

কৰভাৰিবাস্যা ঊৰূ — কৰভোৰূঃ

কৰিকৰাবিবাস্যা ঊৰা — কৰিকাৰোৰূঃ

ঙ) 'বাম' আদি শব্দৰ পিছত 'ঊৰূ' শব্দ থাকিলে, তাৰ পিছত ঊপ্ (ঊ) হয়। যেনে—

বামোৰূঃ, সহিতোৰূঃ, সহোৰূঃ, সংহিতোৰূঃ লক্ষণোৰূঃ



১৩.৫ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলোঁ—

- স্ত্রীপ্রত্যয় সম্পর্কে জ্ঞান লাভ কৰিলোঁ।
- স্ত্রীপ্রত্যয়সমূহ প্রয়োগৰ ফলত শব্দসমূহৰ আকৃতিগত পার্থক্যসমূহ জানিব পাৰিলোঁ।
- পুংলিঙ্গ শব্দসমূহৰ স্ত্রীলিঙ্গৰ ৰূপবোৰ জানিব পাৰিলোঁ।
- কি কি শব্দত কি কি স্ত্রীপ্রত্যয় প্রয়োগ হয়, সেই বিষয়ে অৱগত হ'ব পাৰিলোঁ।



১৩.৬ অধিক জানিবলৈ

১) বৰপূজাৰী, অৰুণ চন্দ্র (২০০৭); *সংস্কৃত প্রৱেশ ব্যাকৰণ*; গুৱাহাটী ঃ অশোক বুকষ্টল।

২) বিদ্যাসাগৰ, ঈশ্বৰ চন্দ্র (সম্পাদক— দুর্গাচৰণ সাংখ্যবেদান্ত তীর্থ) (২০০০); *সমগ্র ব্যাকৰণ কৌমুদী*; কলিকতা ঃ দেৰ সাহিত্য কুটীৰ প্রাইভেট লিমিটেড।

৩) ভট্টাচার্য্য, ড° হৰিশ্চন্দ্র (১৯৯৬); *সংস্কৃত ব্যাকৰণ প্রভা*; গুৱাহাটী ঃ বৰুৱা এজেন্সি।

৪) শাস্ত্রী, খগেন্দ্র নাথ (১৯৮৫); *সংস্কৃত প্রৱেশ ব্যাকৰণ*; গুৱাহাটী ঃ গ্রন্থপীঠ।

৫) Machonel, Dr. A. A. (1927); *A Sanskrit Grammar for Students*; New Delhi: Motilal-Banersidass.



১৩.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ক) গৌৰ + ঈপ্, খ) অজ + আপ্, গ) পাচক + আপ্, ঘ) ধাতৃ + ঈপ্, ঙ) ভৱৎ + ঈপ্।

২নং প্রশ্নৰ উত্তৰ ঃ ক) হিমানী, খ) ক্ষত্রিয়ানী, গ) মাতুলানী, ঘ) ৰুদ্রানী, ঙ) গার্গী।



১৩.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ তলৰ শব্দবোৰৰ পার্থক্য দাঙি ধৰক—

ক্ষত্রিয়া — ক্ষত্রিয়ী, উপাধ্যায়ী — উপাধ্যায়া, সূর্য্যা — সূৰী, শূদ্রা — শূদ্রানী

খ) চুটি প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ তলত দিয়া শব্দবোৰৰ স্ত্রীলিঙ্গ ৰূপবোৰ লিখক।

প্রথম, জ্যেষ্ঠ, নট, ৰাজন্, নর্ত্তক, ব্রহ্মণ্, যৱন, নাটক, গোপ, ভীৰু।

গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ সংস্কৃতৰ স্ত্রীপ্রত্যয়সমূহৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্রশ্ন ২ ঃ তলত দিয়া শব্দবোৰৰ প্রত্যয়বোৰ ভাঙি আগবঢ়াওক।

নায়িকা, সুন্দৰী, ধাত্রী, যুনী, দণ্ডিনী, আগস্তী, ভৱানী, সখী।

*** ***** ***